**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 24-09-2024 **Time :** 1340 Hrs.

## *Assamese Midday Bulletin*
## *HEADLINES*

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী তিনিদিনীয়া সফল আমেৰিকা যুক্তৰাষ্ট্ৰ ভ্ৰমণ সামৰি নতুন দিল্লীলৈ বুলি ৰাওনা হৈছে।

২। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৰে হিচাপ-নিকাচ পৰীক্ষাৰ ব্যৱস্থাটো প্ৰযুক্তিৰ উত্থানৰ অনুৰূপ হ'ব লাগে বুলি মন্তব্য কৰিছে।

৩। কেন্দ্ৰীয় বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমনে এছিয় আন্তঃগাঁথনি বিনিয়োগ বেংকৰ পৰিচালনা পৰিষদৰ নৱম বাৰ্ষিক বৈঠকত অংশগ্ৰহণ কৰাৰ উদ্দেশ্যে তাশখণ্ডত উপস্থিত হৈছে।

৪। জম্মু-কাশ্মীৰ বিধানসভা নিৰ্বাচনৰ দ্বিতীয় পৰ্যায়ত কাইলৈ ভোটগ্ৰহণ মুক্ত, নিকা আৰু সুচাৰুৰূপে সম্পন্ন কৰাৰ বাবে সকলো প্ৰস্তুতি সম্পূৰ্ণ কৰি তোলা হৈছে।

আৰু

৫। ভাৰতৰ যুকি ভাম্ব্ৰি আৰু ফ্ৰান্সৰ অল্বানো অ'লিৰেটীৰ যুটিটো আজি ছেংডু অ'পেন টেনিছ প্ৰতিযোগিতাৰ পুৰুষৰ ডাবল্‌ছৰ ফাইনেলত অৱতীৰ্ণ হ'ব।

০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী তিনিদিনীয়া সফল আমেৰিকা যুক্তৰাষ্ট্ৰ ভ্ৰমণ সামৰি নতুন দিল্লীলৈ বুলি ৰাওনা হৈছে। ভ্ৰমণকালত প্ৰধানমন্ত্ৰীয়ে ডেলাৱেৰত অনুষ্ঠিত কোৱাড ৰাষ্ট্ৰগোষ্ঠীৰ নেতাসকলৰ শীৰ্ষ সন্মিলনত ভাগ লোৱাৰ লগতে নিউয়ৰ্কস্থিত ৰাষ্ট্ৰসংঘৰ সাধাৰণ সভাত ভৱিষ্যতৰ শীৰ্ষ সন্মিলনত ভাষণ দিয়ে। তেওঁ লগতে নিউয়ৰ্কত প্ৰবাসী ভাৰতীয়সকলৰ এটা সমাবেশকো সম্বোধন কৰে।

০০০০০০০০০

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৰে প্ৰযুক্তিগত বিৱৰ্তনৰ সৈতে খাপ খোৱাকৈ লেখ পৰীক্ষণ ফলপ্ৰসুভাৱে ৰূপায়ণ কৰাত গুৰুত্ব আৰোপ কৰে। ৰাষ্ট্ৰপতিগৰাকীয়ে কয় ৰাজহুৱা খণ্ডৰ হিচাপ পৰীক্ষণ পৰম্পৰাগত মাধ্যমৰ পৰা সম্প্ৰসাৰণ হৈছে। তেওঁ কয় যে প্ৰযুক্তিচালিত বিশ্বত ৰাজহ সেৱাৰ বিভিন্ন মাধ্যম প্ৰযুক্তিৰ সহায়ত সমাধান কৰা হয়। নতুন দিল্লীত আজি এছিয়ান অৰ্গেনাইজেচন অব্ ছুপ্ৰিম অ'ডিট ইনষ্টিটিউচনৰ ১৬ সংখ্যক সমাৱেশ মুকলি কৰি ৰাষ্ট্ৰপতি শ্ৰীমতী মুৰ্মুৰে এই কথা প্ৰকাশ কৰে। ভাষণ প্ৰসংগত শ্ৰীমতী মুৰ্মুৰে কয় যে ভাৰতৰ নিয়ন্ত্ৰক আৰু মহালেখা পৰীক্ষকে দেশৰ ৰাজহুৱা বিত্তীয় ব্যৱস্থা স্বচ্ছ আৰু দায়বদ্ধ হোৱাটো নিশ্চিত কৰাত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আহিছে। তেওঁ কয় যে ভাৰতৰ সংবিধানে নিয়ন্ত্ৰক আৰু মহালেখা পৰীক্ষকৰ কাৰ্যালয়ক সম্পূৰ্ণ স্বায়ত্ত শাসন প্ৰদান কৰিছে। তেওঁ কয় যে নিয়ন্ত্ৰক আৰু মহালেখা পৰীক্ষকে নীতিগত আচৰণৰ কঠোৰ ধাৰা অনুসৰণ কৰি অনুসন্ধানৰ শীৰ্ষতম শৃংখলা যাতে কাৰ্যকৰী হয়, সেয়া নিশ্চিত কৰে। এই সন্মিলন চাৰিদিনীয়াকৈ অনুষ্ঠিত হৈছে। ভাৰতৰ নিয়ন্ত্ৰক আৰু মহালেখা পৰীক্ষক গিৰিশ চন্দ্ৰ মুৰ্মু ২০২৪ৰ পৰা ২০২৭ চনৰ কাৰ্যকালৰ বাবে এই সংস্থাৰ অধ্যক্ষ হিচাপে নিৰ্বাচিত হৈছে।

০০০০০০০০০

পশ্চিমবংগৰ জলপাইগুৰি জিলাৰ মইনাগুৰি ৰে'ল ষ্টেচনৰ সমীপত আজি পুৱা এখন মালবাহী ৰে'লগাড়ীৰ কেইবাটাও দবা লাইনৰ পৰা বাগৰি পৰে। ৰে'লগাড়ীখনৰ একাংশ দবা ইঞ্জিনৰ পৰা বিচ্ছিন্ন হোৱাৰ বাবেই এই অঘটন ঘটে। দুৰ্ঘটনাত পতিত ৰে'লগাড়ীখন অসমৰ পৰা নিউ জলপাইগুৰি ষ্টেচন অভিমুখে গৈ আছিল বুলি জানিব পৰা গৈছে। আলিপুৰ দুৱাৰৰ মাণ্ডলিক ৰে'ল প্ৰবন্ধক অমৰজিৎ গৌতমে কৈছে যে এই দুৰ্ঘটনাৰ তদন্ত কৰা হ'ব। দুৰ্ঘটনাৰ বাবে কেইখনমান ৰে'লগাড়ীৰ যাত্ৰাপথ সলনি কৰা হৈছে আৰু এখন ৰে'লগাড়ীৰ যাত্ৰা বাতিল কৰা হৈছে। একেদৰে এখন ৰে'লগাড়ীৰ যাত্ৰাপথ চমু কৰা হৈছে।

০০০০০০০০০

কেন্দ্ৰীয় বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমনে এছিয় আন্তঃগাঁথনি বিনিয়োগ বেংক এ আই আই বিৰ পৰিচালনা পৰিষদৰ নৱম বাৰ্ষিক বৈঠকত অংশগ্ৰহণ কৰাৰ উদ্দেশ্যে উজবেকিস্তানৰ তাশখণ্ডত উপস্থিত হৈছে। শ্ৰীমতী সীতাৰমনে কাইলৈ এই বৈঠকত অংশ ল'ব। ভাৰত এছিয় আন্তঃগাঁথনি বিনিয়োগ বেংকৰ দ্বিতীয় সৰ্ববৃহৎ অংশীদাৰ। কাইলৈৰ বৈঠকত উন্নয়নৰ কাৰ্যসূচীৰ সৈতে জড়িত ভালেমান গুৰুত্বপূৰ্ণ গোলকীয় বিষয় লৈ আলোচনা কৰা হ'ব। শ্ৰীমতী সীতাৰমনে লগতে ভাৰত আৰু উজবেকিস্তানৰ মাজত দ্বিপাক্ষিক বিনিয়োগ চুক্তিতো স্বাক্ষৰ কৰিব। দুয়োখন ৰাষ্ট্ৰৰ পাৰস্পৰিক লাভালাভৰ বাবে ব্যাপক আৰ্থিক সহযোগিতাৰ প্ৰসাৰেই এই চুক্তিখনৰ মূল উদ্দেশ্য। বিত্তমন্ত্ৰীগৰাকীয়ে এই ৫ দিনীয়া ভ্ৰমণকালত উজবেকিস্তানৰ ৰাষ্ট্ৰপতি শৌকত মিৰ্জিয়োয়েভক সাক্ষাৎ কৰাৰ কথা আছে। তেওঁ লগতে উজবেকিস্তান, কাটাৰ আৰু চীনৰ বিত্তমন্ত্ৰী তথা এছিয় আন্তঃগাঁথনি বিনিয়োগ বেংকৰ অধ্যক্ষৰ সৈতে দ্বিপাক্ষিক আলোচনাত মিলিত হ'ব। তেওঁ লগতে বিভিন্ন ক্ষেত্ৰত কৰ্মৰত প্ৰবাসী ভাৰতীয়সকলৰ সৈতেও মত বিনিময় কৰিব।

০০০০০০০০০

উপ-ৰাষ্ট্ৰপতি জগদীপ ধনখড়ে কাইলৈ গৌতমবুদ্ধ নগৰত উত্তৰপ্ৰদেশ আন্তঃৰাষ্ট্ৰীয় বাণিজ্য প্ৰদৰ্শনীৰ দ্বিতীয় সংস্কৰণ মুকলি কৰিব। পাঁচ দিনীয়াকৈ হ'বলগীয়া এই বাণিজ্য প্ৰদৰ্শনী অহা ২৯ ছেপ্তেম্বৰত অন্ত পৰিব। এই অনুষ্ঠানত উত্তৰ প্ৰদেশৰ বাণিজ্য আৰু সংস্কৃতি প্ৰদৰ্শন কৰা হ'ব। এই প্ৰদৰ্শনীত অংশীদাৰ ৰাষ্ট্ৰ হিচাপে ভিয়েটনামকো বিশেষ গুৰুত্ব প্ৰদান কৰা হৈছে। উল্লেখযোগ্য যে উত্তৰ প্ৰদেশ আন্তঃৰাষ্ট্ৰীয় বাণিজ্য প্ৰদৰ্শনীৰ প্ৰথম সংস্কৰণ যোৱা বছৰ ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৰে উদ্বোধন কৰিছিল।

০০০০০০

জম্মু-কাশ্মীৰ বিধানসভা নিৰ্বাচনৰ দ্বিতীয় পৰ্যায়ত কাইলৈ ভোটগ্ৰহণ মুক্ত, নিকা আৰু সুচাৰুৰূপে সম্পন্ন কৰাৰ বাবে সকলো প্ৰস্তুতি সম্পূৰ্ণ কৰি তোলা হৈছে। এই পৰ্যায়ত ছখন জিলাৰ ২৬টা বিধানসভা সমষ্টি সামৰি লোৱা হৈছে। নিৰ্বাচন হ'বলগীয়া জিলাকেইখনৰ ভিতৰত জম্মু অঞ্চলৰ ৰিয়াছি, ৰাজৌৰি আৰু পুঞ্চ তথা কাশ্মীৰ উপত্যকাৰ শ্ৰীনগৰ, গান্দেৰবল আৰু বুডগাম আছে। এই পৰ্যায়ত প্ৰায় ২৫ লাখ ৭৮ হাজাৰ ভোটদাতাই ২৩৯ গৰাকী প্ৰাৰ্থীৰ ৰাজনৈতিক ভাগ্য নিৰ্ণয় কৰিব। এই পৰ্যায়ত প্ৰতিদ্বন্দ্বিতা আগবঢ়োৱা আগশাৰীৰ প্ৰাৰ্থীসকলৰ ভিতৰত ৰাজ্যখনৰ প্ৰাক্তন মুখ্যমন্ত্ৰী ওমৰ আব্দুল্লাহ, পি চি চি ইউ টিৰ মুৰব্বী তাৰিক হামিদ কৰ্ৰা আৰু অপনী পাৰ্টীৰ সভাপতি আলতাফ বুখাৰি অন্যতম। ভোটগ্ৰহণ সুকলমে সম্পন্ন কৰাৰ বাবে মুঠ ৩হাজাৰ ৫০২ টা ভোটগ্ৰহণ কেন্দ্ৰ স্থাপন কৰা হৈছে আৰু আটাইকেইটা কেন্দ্ৰতে ১০০ শতাংশ ৱেব কাষ্টিঙৰ ব্যৱস্থা কৰা হৈছে। দ্বিতীয় পৰ্যায়ৰ নিৰ্বাচনত ২৪টা ভোটগ্ৰহণ কেন্দ্ৰত ১৫ হাজাৰ ৫০০ ৰো অধিক দেশৰ বিভিন্ন প্ৰান্তত বাস কৰা কাশ্মীৰি পণ্ডিতে ভোটদানৰ অধিকাৰ সাব্যস্ত কৰিব। নিৰ্বাচনী প্ৰক্ৰিয়া তদাৰক কৰি থকা সাহায্য আৰু পুনৰ্বাসন আয়ুক্ত অৰবিন্দ কৰৱানীয়ে কৈছে যে জম্মু-কাশ্মীৰত এনে ধৰণৰ ১৪ হাজাৰ ৭০০ ৰো অধিক পঞ্জীকৃত ভোটদাতা আছে।

কেন্দ্ৰীয় শাসিত অঞ্চলটোত তিনিটা পৰ্যায়ত বিধানসভা নিৰ্বাচন অনুষ্ঠিত হৈছে। ১৮ ছেপ্তেম্বৰত অনুষ্ঠিত প্ৰথম পৰ্যায়ৰ নিৰ্বাচনত ৬১ শতাংশৰো অধিক ভোটগ্ৰহণ হয়। ১ অক্টোবৰত নিৰ্বাচনৰ তৃতীয় তথা অন্তিম পৰ্যায়ৰ বাবে ভোটগ্ৰহণ কৰা হ'ব। ৮ অক্টোবৰত ভোটগণনা কৰা হ'ব।

০০০০০০০০০

কেন্দ্ৰীয় কৃষি আৰু কৃষক কল্যাণ মন্ত্ৰী শিৱৰাজ সিং চৌহানে আজি নতুন দিল্লীত কৃষক আৰু কৃষক সংগঠনৰ প্ৰতিনিধিসকলৰ সৈতে মত বিনিময় কৰে। বৈঠকৰ অন্তত সাংবাদিকৰ সৈতে হোৱা কথা-বতৰাত শ্ৰী চৌহানে কয় যে তেওঁ প্ৰায় ৫০ গৰাকী কৃষক নেতাক সাক্ষাৎ কৰিছে আৰু তেওঁলোকৰ উদ্বেগৰ বিষয়ে কথা পাতিছে। মন্ত্ৰীগৰাকীয়ে কয় যে কৃষি ভাৰতীয় অৰ্থব্যৱস্থাৰ মেৰুদণ্ড আৰু কৃষকসকল ইয়াৰ আত্মাস্বৰূপ। শ্ৰী চৌহানে কয় যে কথোপকথনৰ সময়ত কৃষক সংগঠনৰ প্ৰতিনিধিসকলে শস্যৰ মূল্য আৰু শস্য বীমা সন্দৰ্ভত ভালেমান পৰামৰ্শ আগবঢ়ায়।

০০০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী নেতৃত্বাধীন কেন্দ্ৰীয় চৰকাৰে তৃতীয়টো কাৰ্যকালৰ এশ দিন সম্পূৰ্ণ কৰিছে। এই সময়ছোৱাত চৰকাৰে আন্তঃগাঁথনি, সমাজ কল্যাণ, কৃষক, মধ্যবিত্ত শ্ৰেণী, মহিলা আৰু যুৱ প্ৰজন্মৰ বাবে প্ৰায় ১৫ লাখ কোটি টকা ব্যয়সাপেক্ষ বিভিন্ন আঁচনি গ্ৰহণ কৰিছে। চৰকাৰে দেশৰ গ্ৰামাঞ্চল আৰু আৰ্থিকভাৱে পিছপৰা অঞ্চলৰ মহিলাসকলৰ সৱলীকৰণত গুৰুত্ব আৰোপ কৰি বিশেষভাৱে মহিলাৰ দ্বাৰা পৰিচালিত বিকাশৰ বাবে শক্তিশালী পৰিকাথামো গঠনৰ দিশত বিভিন্ন পদক্ষেপ গ্ৰহণ কৰিছে। দেশক ২০৪৭ চনৰ ভিতৰত উন্নত ৰাষ্ট্ৰৰূপে গঢ়ি তোলাৰ লক্ষ্যৰে নৰেন্দ্ৰ মোদী চৰকাৰে কোনো লোকে বিশেষকৈ মহিলা যাতে বিকাশৰ প্ৰক্ৰিয়াৰ পৰা বাদ পৰি নাযায় তাক নিশ্চিত কৰাৰ বাবে ব্যৱস্থা গ্ৰহণ কৰিছে। দীনদয়াল অন্ত্যোদয় আঁচনি-ৰাষ্ট্ৰীয় গ্ৰামীন জীৱিকা অভিযানৰ অধীনত ৯০ লাখৰো অধিক আত্মসহায়ক গোটৰ জৰিয়তে প্ৰায় ১০ কোটি মহিলাক সামৰি লোৱা হৈছে। প্ৰায় এঘাৰ লাখ নতুন লাখপতি দিদিয়ে প্ৰধানমন্ত্ৰীৰ পৰা সফলতাৰ চিনস্বৰূপে প্ৰমাণপত্ৰ লাভ কৰিছে। এই বছৰৰ বাজেটত নাৰী শক্তিক লাভান্বিত কৰাৰ উদ্দেশ্যে ৩ লাখ কোটি টকা ধাৰ্য কৰা হৈছে। আনহাতে, মহিলাৰ বাবে মৰ্যাদা তথা ঘৰৰ মালিকীস্বত্ত সুনিশ্চিত কৰাৰ বাবে প্ৰধানমন্ত্ৰী আৱাস যোজনাৰ অধীনত প্ৰায় ৩ কোটি অতিৰিক্ত গৃহ নিৰ্মাণ কৰাৰ পৰিকল্পনা গ্ৰহণ কৰা হৈছে। চৰকাৰে চাৰি লাখ ৩০ হাজাৰ আত্মসহায়ক গোটৰ ৪৮ লাখ সদস্য উপকৃত হোৱাকৈ দুহেজাৰ ৫০০ কোটি টকাৰ পুঁজি মুকলি কৰি দিছে। নাৰী শক্তিক উদযাপন কৰাৰ উদ্দেশ্যে দুই লাখ ৩৫ হাজাৰ আত্মসহায়ক গোটৰ ২৬ লাখ সদস্য উপকৃত হোৱাকৈ পাঁচ হাজাৰ কোটি টকাৰ বেংকৰ ঋণ মুকলি কৰি দিয়া হৈছে। তদুপৰি মহিলা উদ্যোগীসকলৰ সবলীকৰণৰ প্ৰতি লক্ষ্য ৰাখি মুদ্ৰা ঋণৰ সীমা ১০ লাখৰ পৰা ২০ লাখ টকালৈ বৃদ্ধি কৰা হৈছে।

০০০০

ভাৰতৰ যুকি ভাম্ব্ৰি আৰু ফ্ৰান্সৰ অল্বানো অ'লিৱেটীৰ যুটিটো আজি ছেংডু অ'পেন টেনিছ প্ৰতিযোগিতাৰ পুৰুষৰ ডাবলছৰ ফাইনেলত শীৰ্ষ বাছনিপ্ৰাপ্ত ফ্ৰান্সৰ ছাডিয়ো ডৌম্বিয়া আৰু ফেবিয়ন ৰেবৌলাৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। ভাম্ব্ৰি আৰু অল্বানোৰ যুটিটোৱে কালি ছেমিফাইনেলত দ্বিতীয় বাছনিপ্ৰাপ্ত ইভান ড'ডিক আৰু ৰাফেল মাট'ছৰ যুটিটোক ৬-৩, ৭-৬, ছেটত পৰাস্ত কৰাৰ বিপৰীতে ছাডিয়ো আৰু ফেবিয়নৰ যুটিটোৱে মেক্সিকোৰ নিগোৰেল ৰেয়েছ আৰু অষ্ট্ৰেলিয়াৰ জন পেট্ৰিক্ স্মিথক ৪-৬, ৬-৩, ১২-১০ ছেটত পৰাস্ত কৰি ফাইনেলত স্থান নিশ্চিত কৰে।

০০০০০০০০০

সমাপ্ত